শিৱ ভক্তসকলৰ মাজত বুঢ়াগোসাঁই থানৰ বিশেষ মাহাত্ম্য আছে। এই থানত ভক্তিভাৱেৰে চাকি-বন্তি জ্বলালে ভক্তৰ মানোবাঞ্ছা পূৰণ, ৰোগ-ব্যাধি উপশম, অপায়-অমংগল আদি নাশ হয় বুলি বিশ্বাস প্ৰচলিত। আনহাতে বুঢ়াগোসাঁই থান অঞ্চলত অপকৰ্ম কৰি প্ৰাপ্য দণ্ড ভোগ কৰাৰো উদাহৰণ আছে। এনেদৰে বুঢ়াগোসাঁই বাবাৰ আশীৰ্বাদ অথবা প্ৰকোপৰ নানান কাহিনীয়ে থানখনক ঐতিহ্যমণ্ডিত কৰি তুলিছে।

নিত্য পূজাৰ উপৰি প্ৰতিবছৰে অম্বুবাচী নিবৃত্তিৰ পাছৰ দ্বিতীয়টো মঙলবাৰে কৃষিৰ উন্নতি আৰু ৰাইজৰ মংগল কামনাৰে বাবাৰ বাৰ্ষিক পূজা অনুষ্ঠিত হয়। মূল পূজাৰ আগতে ৰাইজে দুৱাৰী থানত বলি-বিধানেৰে পূজা কৰে। এই বলি বুঢ়ীগোসাঁনী বা দেৱীৰ সন্তুষ্টিৰ অৰ্থে কৰা হয় বুলি বিশ্বাস প্ৰচলিত। শাস্ত্ৰমতে য'তে বুঢ়াগোসাঁই তাতে বুঢ়ীগোসাঁনীৰ স্থান। ইয়াৰ পাছত নানান নৈবেদ্যৰে বাবাৰ থানত পূজা দিয়া হয়। অতীজতে বুঢ়াগোসাঁই থানৰ পূজা স্থানীয় কৃষিজীৱী কাৰ্বি ৰাইজ আৰু বৰবাংঠেৰ (গাঁওবুঢ়া বা গাঁৱৰ মুখিয়াল) প্ৰত্যক্ষ তত্ত্বাৱধানত আৰু কোৰানছি ৰেছ বা ৰজাৰ সহযোগত কাৰ্বি ৰীতি-নীতিৰে অনুষ্ঠিত কৰা হৈছিল। এই পৰম্পৰা এতিয়াও প্ৰচলিত। স্থানীয় লোকসকলৰ উপৰি চন্দ্ৰপুৰ, ডিগাৰু, মৰিগাঁও, মায়ং আদিৰ লগতে দূৰ-দূৰণিৰ অসংখ্য লোকে অতি কষ্ট কৰি সুউচ্চ পাহাৰ বগাই সেইদিনা বুঢ়াগোসাঁই বাবাৰ আশীৰ্বাদ বিচাৰি আহে। পবিত্ৰ বুঢ়াগোসাঁই থান লোকে লোকাৰণ্য হৈ পৰে।

**জলে-বনে**

## জলহস্তী

■ জলহস্তী সাধাৰণতে পানীত বাস কৰা এবিধ ডাঙৰ স্তন্যপায়ী মেৰুদণ্ডী প্ৰাণী। প্ৰাপ্তবয়স্ক জলহস্তীৰ দৈৰ্ঘ্য প্ৰায় ৪.৬ মিটাৰ, উচ্চতা ১.৫ মিটাৰ, ওজন ৪,৫০০ কিল'গ্ৰামমান। পিগমি (Pygmy) জলহস্তী নামৰ এবিধ বিৰল প্ৰজাতিৰ জলহস্তীও আছে। সেইবোৰৰ গড় দৈৰ্ঘ্য ১.৮ মিটাৰ, উচ্চতা ০.৭৫ মিটাৰ আৰু ওজন ২৭০ কিল'গ্ৰামমান হ'ব। জলহস্তীৰ মূল বাসস্থান ছাহাৰা মৰুভূমিৰ দক্ষিণৰ আফ্ৰিকীয় নদী আৰু হ্ৰদবোৰ।

জলহস্তীৰ দৰ্শন, শ্ৰৱণ আৰু ঘ্ৰাণ ইন্দ্ৰিয় তীক্ষ্ণ। চকু আৰু নাক মূৰৰ চাপৰ অংশত অৱস্থিত। সেইবাবে শৰীৰটো পানীত ডুব গৈ থকাৰ সময়তো সি মূৰটো ওপৰলৈ দাঙি চাব আৰু উশাহ ল'ব পাৰে। অৱশ্যে ই কেতিয়াবা সম্পূৰ্ণভাৱে পানীত ডুব গৈ থাকে। তেনে অৱস্থাত জলহস্তীটোৱে আধা ঘণ্টা পৰ্যন্ত উশাহ নোলোৱাকৈ থাকিব পাৰে। জলহস্তীৰ ছালত থকা কিছুমান গ্ৰন্থিয়ে এবিধ ৰঙা তেলেতীয়া পদাৰ্থ নিঃসৰণ কৰে। তাৰ ফলত পানীত থকা সময়ত ছালখন সুৰক্ষিত হৈ থাকে আৰু মাটিত থকা সময়ত ছালখন একেবাৰে শুকাই নাযায়। ইহঁতৰ ওপৰ কোৱাৰিত দুটা আৰু তলৰ কোৱাৰিত চাৰিটা ডাঙৰ ডাঙৰ দাঁত থাকে। সৰু সৰু প্ৰাণীক ইহঁতে একে কামোৰতে মাৰি পেলাব পাৰে। সাধাৰণতে জলহস্তীয়ে অন্য জীৱ-জন্তুক খেদি গৈ আক্ৰমণ নকৰে; বেছিভাগ সময়ত ইহঁতে নিজকে বচাবলৈ পানীলৈ দৌৰহে মাৰে। ইহঁতে প্ৰয়োজনত মানুহৰ সমানে দৌৰিব পাৰে।

জলহস্তীয়ে জাক পাতি বাস কৰে। কেঁচুৱা জলহস্তীবোৰক ঘঁৰিয়ালৰ আক্ৰমণৰ পৰা ৰক্ষা কৰিবলৈ মাকে পিঠিত উঠাই লৈ ফুৰে। মতা জলহস্তীবোৰে নিজৰ অঞ্চল আৰু সংগীৰ বাবে যুদ্ধ কৰিবলগীয়া হয়। ৰাতি ইহঁত পানীৰপৰা উঠি আহে আৰু ঘাঁহ, শস্য আদি খায়। আকাৰ অনুপাতে জলহস্তীয়ে খায়ো যথেষ্ট। চিৰিয়াখানাত থকা একোটা জলহস্তীয়ে দিনে প্ৰায় ৪৫ কিল'গ্ৰাম খাদ্য খায়। ইহঁতে সৰু-সুৰা নাওবোৰ আক্ৰমণ কৰে আৰু কেতিয়াবা পানীৰ কাষৰ শস্য-পথাৰবোৰো একেবাৰে মহটিয়াই পেলায়।

জলহস্তীয়ে এবাৰত এটা পোৱালিৰ জন্ম দিয়ে। জন্মৰ সময়ত পোৱালিটোৰ ওজন হয় ৫০ কিল'গ্ৰাম। সাধাৰণতে জলহস্তীৰ আয়ুস ৪১ বছৰ যদিও ৫৪ বছৰৰো অধিক বছৰকাল জলহস্তী জীয়াই থকাৰো প্ৰমাণ পোৱা গৈছে। দেখাত গঁড় যেন লগা, গাহৰি যেনো লগা জলহস্তীক ইংৰাজীত হিপোপটেমাছ (Hippopotamus) বুলি কোৱা হয়। এই শব্দটোৰ অৰ্থ 'নৈৰ ঘোঁৰা'। অৱশ্যে আকাৰত জলহস্তী ঘোঁৰাতকৈ ভালেখিনি ডাঙৰ। কিন্তু ইয়াৰ কাণ দুখন ঘোঁৰাৰ কাণৰ নিচিনা; নাকৰ ফুটা দুটাৰো ঘোঁৰাৰ নাকৰ লগত সাদৃশ্য আছে।



**শব্দৰ আঁতি-গু**

## মেজিক

■ যাদুবিদ্যাৰ ইংৰাজী প্ৰতিশব্দ মেজিক শব্দটো আহিছে লেটিন 'মেজিকা'ৰপৰা। ইয়াৰ অৰ্থ কলা-কৌশল। মেজিকো মূলতঃ কৌশলৰেই খেলা। প্ৰাচীন ইৰানৰ পুৰোহিতক 'মগাছ' বোলা হৈছিল। এইসকল পুৰোহিত আছিল যাদুবিদ্যাত পাৰদৰ্শী। এই 'মগাছ' শব্দটোৰ পৰা মেজিক হ'ব পাৰে।



যাদু এটা ফাৰ্চী শব্দ। ইয়াৰ অৰ্থ কুহক বা মায়া। প্ৰাচীন ভাৰতৰ এজন ৰজা ভোজ আছিল যাদুবিদ্যাত পাৰদৰ্শী। তেওঁৰ নামৰ পৰাই যাদু বুজোৱা ভোজবাজি শব্দটো আহিছে। বাজি শব্দটো ফাৰ্চী ভাষাৰ। অৰ্থ খেলা। ভোজবাজি মানে ভোজ ৰজাই দেখুওৱা যাদুৰ খেলা।

## বুদ্ধি-যুক্তি




১। কোনটো পাত্ৰ আগতে ভৰ্তি হ'ব?

২। নাম মানুহৰ
ফল খৱালিৰ
ৰং আবেলিৰ।
কি?

## যোৱা সংখ্যাৰ 'বুদ্ধি-যুক্তি'ৰ উত্তৰ

১। ৫ বাৰ।

প্ৰথমতে, ৩ নম্বৰ বলটো 'খ' চুঙালৈ নিয়ক।

২ নম্বৰ বলটো 'খ' চুঙালৈ নি ৩ নম্বৰ বলৰ ওপৰত থওক।

এইবাৰ, ১ নম্বৰ বলটো 'গ' চুঙালৈ নিয়ক।

২ নম্বৰ বলটো 'গ' চুঙালৈ নি ১ নম্বৰ বলৰ ওপৰত থওক।

শেষত,

৩ নম্বৰ বলটো 'গ' চুঙালৈ নি ২ নম্বৰ বলৰ ওপৰত থওক।

২। ৯টা।

**শান্তনু কৌশিক বৰুৱা,**
শুৱনি পথ, মংগলচণ্ডী থানৰ সমীপত,
বীৰকুছি, নাৰেংগী, গুৱাহাটী-৭৮১০২৬,
ফোন ঃ ৯৪৩৫০৮৯৩৭৫, ৭০৮৬৩৩৪০৯০
ই-মেইল ঃ santanukausik@gmail.com